
সাগৰ দেখিছা
দেৱকান্ত বৰুৱা

বাণীকান্ত কাকতিৰ

পুণ্যস্মৃতিৰ উদ্দেশ্যে

এই কৱিতাসমূহ ৰচিত হৈছিল যোৱা তৃতীয় দশকত আৰু প্ৰায় বিলাকেই 'আৱাহন'ত প্ৰকাশিত হৈছিল।

ছপাখানাৰ কাৰণে পাণ্ডুলিপি তৈয়াৰ কৰাৰ পৰা আহি'কাকত চোৱালৈকে সকলোখিনি কাম আগ্ৰহেৰে কৰি দিছে অসম বিধান সভাৰ গ্ৰন্থাগাৰিক শ্ৰীভদ্ৰ বৰাই। তাৰ বাবে তেওঁৰ শলাগ ললোঁ।

**শ্ৰীদেৱকান্ত বৰুৱা**

## সূচীপত্ৰ


সাগৰ দেখিছা? ১১
ওলগ ১৩
প্ৰথমা ১৪
দৃষ্টিসৃষ্টি ১৬
বিহুৰ পেঁপা ১৭
নিমন্ত্ৰণী ১৯
পূজা-উছৱ ২০
সুন্দৰ ২১
তুমি নাই ২৩
পূজাৰ ফুল ২৫
আকাশ কুসুম ২৭
কবিৰ কামনা ২৭
তিলোত্তমা ৩১
প্ৰেমৰ উত্তৰ ৩৩
কলঙ্-পাৰত ৩৪
ৰহস্য ৩৬
নাৰী-বন্দনা ৩৮
কলঙ্-পাৰত মাজনিশা ৪০
মনোৰমা ৪২
নিশাৰ পূৰবী ৪৩
পৃথিৱী ৪৪
দেৱদাসী ৪৬
অপ্ৰকাশ ৪৮
অসাৰ্থক ৫০
ৰঙা এটি কৰবীৰ ফুল ৫২
লাচিত ফুকন ৫৪
অৰ্থহীন ৫৭
প্ৰগতি ৫৮
‘শেৱালি’ কবিৰ প্ৰতি ৬০
উৰ্ব্বশী-বিদায় ৬২
যৌৱন ৬৬
আমি দুৱাৰ মুকলি কৰোঁ ৭১
এটি প্ৰাৰ্থনা ৭৩
মোৰ দেশ মানুহৰ দেশ ৭৫
বিষকন্যা ৭৮

## সাগৰ দেখিছা?

সাগৰ দেখিছা? দেখা নাই কেতিয়াও? ময়ো দেখা নাই,
শুনিছোঁ তথাপি,
নীলিম সলিলৰাশি, বাধাহীন উৰ্ম্মিমালা আছে দূৰ
দিগন্ত বিয়াপি।

মোৰ ই অন্তৰখনি সাগৰৰ দৰে নীলা, বেদনাৰে—
দেখা নাই তুমি?
উঠিছে মৰিছে য'ত বাসনাৰ লক্ষ ঢৌ তোমাৰেই
স্মৃতি-সীমা চুমি।
শুনা নাই? মোৰ সাগৰত তুমি শুনা নাই ধুমুহাৰ
উতলা সঙ্গীত?
বুজা নাই? অনুভৱো কৰা নাই ফুলনিত বসন্তৰ
কোমল ইঙ্গিত?
দেখিছাতো ৰামধেনু? বাৰিষাৰ ডাৱৰত পোহৰৰ
মোহন গৌৰৱ;
প্ৰেমৰ পোহৰ-দীপ্ত মোৰ হিয়া-আকাশত দেখিছানে
ৰঙৰ উছৱ?
মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা কেতেকীৰ
হিয়া ভগা মাত?
ভাবিছানে এটিবাৰো পখীৰ ডিঙিত কান্দে মানুহৰ
বুকুৰ সম্বাদ!
মই জানো তুমি কিটো জানা। হেৰা মোৰ হিয়াহীনা প্ৰিয়া!
তুমি জানা মাথোঁ
তুমি তুমি, মই মই। তুমিতো নেজানা হায়, কিয় বাৰু
কিয় আমি গাথোঁ

জ'ই পৰা মালতীৰে জয়ৰ গৌৰৱ মালা? মিলনৰ
কাৰেঙ সোণালী
সাজোঁ কিয় পৃথিবীৰ দুখৰ বোকাৰে আমি? হৃদয়ৰ
ৰঙা তেজ ঢালি
প্ৰতিমাৰ পখালোঁ চৰণ কিয়? তুমি নুবুজিবা সখি!
কিনো বেদনাত
ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জোঁ আমি বিজয়াৰ
বিফল সন্ধ্যাত!
সন্ধিয়া আহিছে নামি? থক হেৰা নেলাগে জ্বলাব চাকি;
দুটি নয়নৰ
সহজ প্ৰভাৰে আজি নাশিবা তিমিৰ তুমি অন্ধকাৰ
মোৰ জগতৰ।

স্বৰ্গৰ সপোন মোৰ মাটিৰ মহিমা স'তে
মিলি য'ত ৰচিছে উৰ্ব্বশী,
গানৰ চুমাই মোৰ তোমাৰ দুখনি ওঁঠ
আছে তাতে নীৰৱে পৰশি।

বসন্তৰ উছৱত সেউজীয়া বননিত
কামনাৰ যি স্পন্দন জাগে;
শুভ্ৰ শেৱালিৰ মোৰ প্ৰতি বৃন্ত কৰে ৰঙা
তাৰে প্ৰিয়া! নৱ অনুৰাগে।

চৰাইৰ মাতত প্ৰিয়া! পখিলাৰ উৰণত
কৰিছোঁ যি সুৰৰ সন্ধান,
কলিৰ-টোপনি-ভাঙি-বতাহ-বলিয়া-কৰা
তুমি মোৰ সেই ছন্দগান।

যি ছাটি জোনাক দেহি আজিও পোৱাহি নাই
ধৰণীৰ ধূলিৰ পৰশ,
তুমি সেই আনন্দৰ আগমনী অনুভূতি,
যৌৱনৰ প্ৰকাশ হৰষ।

পংকৰ কলংক ঢাকি পঙ্ক-বেদনাৰে তুমি
নিষ্কলংক পূৰ্ণ শতদল,
তোমাৰ পাহিতে সখি! বিশ্বৰ মাধুৰী শেষ
শেষ তাতে অমৃত-গৰল।

ছন্দ-গীতৰ মোৰ এই পূজা, গোপন আশাৰে
সপোন সজা;
এয়া যে লাহৰি! তোমাক মজাই নিজৰ সুৰতে
নিজেই মজা!
নিৰাশাৰ মোৰ তপ্ত চকুলো, নতুন আশাৰ
দীপ্ত হাঁহি,
প্ৰেৰণাত তাৰ যদিহে নুফুলে তোমাৰ হিয়াৰ
পদুম পাহি;
কৱিতা-আৰতি মিছা যদি মোৰ, জীৱনৰ পূজা
ছলনা হলে,
কিদৰেনো বাৰু মোৰ তেজেৰেই তোমাৰ পূজাৰ
বন্তি জ্বলে?
আজিৰ পূজাৰ স্নেহ-পৰশত উঠিছে বিনাই
যি পখী-কবি,
প্ৰথম প্ৰেমৰ লাজুকী দেৱতা! নলবানে তাৰ
গানৰ হবি?
হয়তো তোমাৰ সাগৰ-বুকুত ধুমুহাৰ ক্ষীণ
আভাস জাগে,
তৃপ্তি-অন্ধ দুটি নয়নত ন-কামনাৰ
আবেশ লাগে।
উতলা সাগৰ! নিতাল মাৰিবা ধুমুহাৰ পখী
উৰিলে মই;
লগে লগে মোৰ লৰিব ধুমুহা নতুন দুখৰ
বাৰ্তাৰ লই।
গাভৰু! তোমাৰ চকুভৰা জুই, বুকুত বাসনা
উথলি মৰে;

উলাহত আজি পখিলা-পাখিয়ে ফুলৰ পাহিৰ
ৰহণ ধৰে।
জীৱনত আজি প্ৰথম ফাগুন, পলাশ ৰেণুৱে
আকাশ পূৰ,
আমৰ মনৰ সুৰভি-মুগ্ধ কুলিটিয়ে দেহি
পাহৰে সুৰ।
চকুৰ চিনাকি! বুকুজোৰা মোৰ কলুষ-কামনা
বিষাদ-গ্লানি,
সুন্দৰ কৰা, ক্ষন্তেক মাথোঁ, তোমাৰ প্ৰেমৰ
জেউতি সানি।

## দৃষ্টিসৃষ্টি

সেই দিনা
ৰুধিৰ-খেলাত উন্মাদ কবি, উন্মাদ তাৰ অগ্নি-বীণা।
কত শতিকাৰ দুখৰ গান,
কত বিদ্রোহী ডেকাৰ প্ৰাণ
গৰজে সিদিনা কবিৰ প্ৰাণত কত বিশ্বৰ সৰ্ব্বনাশ!
মৃত্যু-বিভোল কবিৰ দৃষ্টি,
সিদিনাতো তাত নহ'ল সৃষ্টি
কঁপি গ'ল মাথোঁ বুকুৰেদি তাৰ সৃষ্টি-নাশৰ মহোল্লাস।

আৰু আজি,
ক'ৰ পৰা তুমি দেখা দিলা আহি শত-উৰ্ব্বশী-বেশে সাজি?
কাঢ়িলা কবিৰ শাণিত খড়্গ,
হৰিলা কবিৰ শোণিত-হৰ্ষ
অগ্নি-বীণাৰ নুমালা বহ্নি, স্তব্ধ কৰিলা প্ৰলয়-গান
মুগ্ধ, শান্ত, নীৰৱ কবি
হৃদয়ৰ তাৰ মৰণ ছবি
জীৱন ৰঙেৰে কৰিলা দীপ্ত, আনিলা হিয়াত স্নেহৰ বান।
অগ্নি-বীণাত ফুলৰ ভাষা!
ধুমুহা-পখীৰ শান্তি-আশা!
তপ্ত-হিয়াত উৰিল কবিৰ তৃপ্তি-মেঘৰ ধৱল পাল,
নতুন প্ৰেমৰ লাজুক দৃষ্টি,
আবেগত তাৰ জাগিল সৃষ্টি,
প্ৰথম পুৰাৰ হিৰণ-বৰণ-অৰুণ-কিৰণ ইন্দ্ৰজাল।

## বিহুৰ পেঁপা

ডাৱৰৰ আঁৰে আঁৰে
দোলত চাপৰ পৰে
গছে পাতে বিহুগীত গায়,
বিহুৰ পেঁপাৰ বোলে
বুকুত নাচেন তোলে
মোকো আজি নাচি নচুৱায়।
সকলো নতুন লাগে
সুৰৰ কঁপনি জাগে
কিহে আজি হিয়া উথলায়?
বুকুৰ আৰতি ঢালি
কোনেনো বাঁহীটি বালি
সুৰে তাৰ সৰগ নমায়।
কঁপিছে কঁহুৱা বন,
কঁপিছে কবিৰ মন,
ফুলনিত নাচি উঠে ফুল;
আজিৰ ই উছৱত
হিয়া ভৰা উলাহত
দেখা দিয়ে জীৱনৰ ভুল।

বিহুৰ লগৰী মোৰ!
কাৰ চেনেহত তোৰ
হিয়া নাচে উখল-মাখল?
তোৰ সি নয়ন জুৰি
ৰূপৰ সপোন-পুৰী
ফুলি উঠা দুটি উৎপল!

গালত গোলাপী আভা
মোৰ ই হৃদয়-লোভা
এয়া বাৰু মায়া নে সপোন ?
কবিতাৰ যত সুৰ
সকলোটি আজি মোৰ
লাগে কিয় আপোন আপোন !
মিলক চকুৰে চকু
খেলি যক লুকাভাকু
চকামকা পুলক বিজুলী,
চুমাৰ উতলা ৰাগী
তাৰেই কঁপনি লাগি
কঁপক ই শিল্পীৰ তুলি।
অচিনাকি মই তোৰ
তইতো আপোন মোৰ
মই তোৰ জীৱনৰ কবি,
তই মোৰ তাহানিৰ
হাঁহি-বঙা লবালিৰ
আধা অঁকা আধা মচা ছবি।
দুদিনৰ পাহৰণি,
তাতে সপোনৰ মণি
হেৰুৱাৰ খোজ কিয় সোণ ?
তোৰেই কবিতা লিখোঁ,
তোকে সপোনত দেখোঁ,
তয়ে সোধ মই তোৰ কোন ?

## নিমন্ত্ৰণী

চঞ্চলা! তুমি আঁচল পাতি
কোন তৰুণ কবিক মাতি
কি গান আজি গাইছা মনে মনে?
মায়াময়ী কোন সপোন-বাণী
পুৰা দূৰ্বাৰিক চুমা দানি
অশ্ৰু-পুলক লগায় বনে বনে?

তোমাৰ গীতৰ তালে তালে
উলুৱনি চোৰা হালে জালে
উতলা তোমাৰ আঁচল-পৰশ লাগি;
সোণালী মেঘত ৰঙৰ লীলা,
আকাশত সউ কঁপিছে নীলা
মৌন ধৰাৰ মদিৰ-পৰশ মাগি।

বতাহে কাৰ বাৰ্তাৰ আনে?
কোননো আহে কোনেনো জানে
নতুন দিনৰ নাচৰ তানত উটি;
চঞ্চলা! তুমি বজোৱা বাঁহী
ফুলনি ভৰি ফুলক হাঁহি
গোলাপ কলিৰ সপোন উঠক ফুটি।

## পূজা-উছৱ

বাটৰ ভিখাৰী! লাগেনে হিয়া?
হৰিণ-চাৱনি হৃদয় নিয়া?
অধৰ ভৰা
উতলা কৰা
লাগেনে প্ৰথম-পৰশ সুৰা? নিদিও দিয়া!

নৱ নবীনৰ উছৱ-পূজা
নওৰোজ এয়া নহয় ৰোজা
আজি যে ধৰা
সুৰভি ভৰা,
আজিৰ দিনতো বুবিনে মূৰ্খ! জ্ঞানৰ বোজা?

দুয়ো ফালে তোৰ কাঁইট-হুল?
কাঁইটতো হেব ফুলিছে ফুল
আপোন মনে
হাবিয়ে বনে
দেৱতাক তোৰ পূজিবি বুলিয়া! ফুলকে তোল।

কাৰ পৰশত
ধৰণীৰ ধূলি-উছৰত
উঠিছে শিয়ৰি
হুলৰ বুকুত দোঁহ ফুলৰ বাতৰি ?

মনৰ বনতো মোৰ হাঁহি উঠে ফুল
আৱেগ-আকুল
প্ৰতি ফুল ৰঙা কাৰ তেজেৰে বুকুৰ ?
কাৰ সুৰ,
আকাশে আকাশে বাজে তৰাৰ প্ৰাণত,
বতাহে বতাহে ভাহে সুৰভি-বানত ?

কোনেনো ফুলায় ফুল ? কোন দেৱতাৰ পৰি
বাটৰ কাঁইটে বিন্ধা চৰণ-বুধিৰ,
পথৰ ধূলিত কঁপে কামনাৰ ভাষা ?
নাচি উঠে হিয়া দুৰ্বাৰৰ ?

ধৰণীৰ ফুল-লতা
বিহগীৰ কলকথা
মাটিৰ মহিমা-দীপ্ত আনন্দৰ বিজুলী লহৰ,
সবাৰে চেনেহ-সনা বন্ধুৰ মৰম-বাণী 'সুন্দৰ' সুন্দৰ !
কোনেনো কঁপায় মন ? কাৰণো যৌৱন
নীৰৱে বিনাই মৰে বননিৰ পাতে পাতে
লাগি কোন অমৃতৰ
নিভৃত স্পন্দন ?

মই কবি
আঁকো সেই অচিনাকি সুন্দৰৰ ছঁয়াময়া ছবি
ভাষাৰ তুলিৰে,
সৃষ্টি কৰোঁ অমৃতৰ অপূৰ্ব্ব মূৰতি
ছন্দৰ ৰহণ সানি
ধৰাৰ ধূলিৰে।

# তুমি নাই

পোহৰাই মোৰ নিশাৰ আকাশ
তিমিৰ ভৰা,
উদিলা সিদিনা পূৰবতীৰ বেশে
তুমি কে তৰা?

মন-পদুমৰ পাহ মেল খালে
পোহৰ চুমি,
দিনৰ কিৰণ নামিল ধৰাত
নুমালা তুমি।

জীৱনত মোৰ আহিল বহাগ
বিহুৰ ঢল,
আহিল গীতৰ বিপুল উজান
পেঁপাৰ বোল।

ফুলৰ মুখত বিৰিঙি উঠিল
কোমল হাঁহি,
তুমি নাই সখি! থৰ হ'ল পেঁপা,
নিমাত বাঁহী।

এদিন আহিল বলিয়া ফাগুন
মধুৰ দিন,
পলাশ ডালত বাজে কামনাৰ
অগ্নিবীণ।

সঁজাৰ পখীটি সিদিনা হিয়াৰ
মুকলি হ'ল,
তুমি নাই প্ৰিয়া! উতলা ফাগুন
মৰহি গ'ল।

ৰাতি যিবা জ্বলে আকাশী দীপালী
তৰাৰ থুপ,
আহিলে প্ৰভাত নুমায় জেউতি
লুকায় ৰূপ।

এন্ধাৰৰ শোভা! পোহৰে তোমাক
নিলেনে হৰি?
সপোনত ফুলি দিঠকত জহি
পৰিলা সৰি।

# পূজাৰ ফুল

পূজাৰ ফুল! অ' মোৰ পূজাৰ ফুল!
কোন নীলিমাৰ শূন্য সীমাত মিলিব তোৰ তুল?
বিচাৰি চালোঁ হায়
বাহিৰ ভিতৰ প্ৰায়,
বিচাৰি চালোঁ সুদূৰ ওচৰ, তুলনা তোৰ ক'ত?
গানেৰে মোৰ বিচাৰোঁ তোৰ প্ৰাণৰ ৰাজপথ।

ইৰান দেশৰ আঙুৰ-গোলাপ-বাগ,
গোলাপে য'ত সখীৰ গালত আঁকে মিলন-ৰাগ,
আঙুৰ নাচে য'ত
হাঁহিৰ খলকত,
সেই বাগিছাৰ ফুলৰ প্ৰিয়া আকুল বুল্‌বুল্‌!
এই হিয়াৰো আঙুৰ-বনত হাঁহিৰ খলক তোল।

মৰুভূমিৰ নিজান মৰুদ্যান
দূৰত শুনি উটৰ পিঠিত বেদুঈনৰ গান,
তৃষ্ণা-আকুল হায়
মৰু-পথিক যায়,
কোন গাভৰুৰ মিলন আশাত হৃদয় বিয়াকুল।
মৰীচি! তোৰ উদাস বুকুত পথিক-তেজৰ বোল!

পাতালপুৰীৰ নিবিড় অন্ধকাৰ,
বাউলী ধৰাৰ ডিঙিত শোভে তিমিৰ-চন্দ্ৰহাৰ।
সপ্ত সাগৰ-মণি
লক্ষ হীৰাৰ খনি
জিলিকে য'ত ভোগৱতীৰ নিজান পাৰে পাৰে,
তাতেনে তোৰ কুঞ্জ-কুটীৰ মায়াৰ আঁৰে আঁৰে?

পলাশ ফুলে ফাগুন বায়ুৰ বাত,
বিপুল আশাত ব্যাকুল কবি তোমাৰ প্ৰতীক্ষাত।
চকুত তোমাৰ লিখা,
সৃষ্টি-আশাৰ শিখা,
ৰাগীত তাৰে মুগ্ধ কবি, বীণাত বাজে ভুল।
তোৰ ওঁঠতে স্বৰ্গ কবিৰ, অ' মোৰ পূজাৰ ফুল।

ফুলৰ ভাষাত তই যি গাৱ গান
মৰু ধৰাৰ শুকান ওঁঠত নবীন মেঘৰ দান।
বুকুৰ বেদীত মোৰ
বন্তি জ্বলে তোৰ,
নিঃস্ব কবিৰ বিশ্ব-দুখৰ ফুল যে পূজাৰ তুমি;
মৰণ যাচোঁ ৰাণী তোমাৰ কমল-চৰণ চুমি।

## আকাশ কুসুম

আকাশ কুসুম! আকাশ কুসুম!
সপোনৰ শোভা
সকলো হৰি,
ফুলিছে সি কিনো কল্পনা-ফুল
নন্দন বন
উপচি পৰি।

আকাশ কুসুম, ৰূপৰ পোহৰে
তৰাটিৰ মুখ
পোহৰ কৰে,
পৃথিবীত তাৰ ৰূপৰ বিননি
কবিৰ বুকুত
বিনাই মৰে।

আকাশৰ ফুল আকাশতে জহে,
সন্ধান তাৰ
কোনেনে ৰাখে?
মৰতত সৰে এটি দুটি পাহি
ধূলি মাকতিত
শুকাই থাকে।

চেনেহ-বলিয়া ব'বাগীয়ে দোহি
তাৰে এটি পাহি
বুটলি লই,
নতুন দিনৰ কল্পনা আঁকে
নতুন আশাত
উতলা হই।

জীৱনতে হায়    জীৱন জহাই
জ'ই পৰি যোৱা
পদুম পাহি,
কোন পদুমৰ    হাঁহি খলকত
খলকাই ধৰা
উঠিল হাঁহি ?

আকাশী আৱেশ!  কিদৰে কঁপায়
দুখনি বুকুত
একোটি ঢউ,
প্ৰেৰণাত তাৰ    বিহু-ফুল ফুলে
ৰাঙলী ওঁঠত
বিহুৰ মউ।

আকাশ কুসুম    জেউতিত তাৰ
মনে মনে জ্বলে
ৰূপৰ শিখা,
জীৱন মৰণ    কৰি একাকাৰ
নাচে কামনাৰ
বিজুলী-শিখা।

আকাশ কুসুম,   জীৱনত সিযে
জানিশুনি কৰা
মধুৰ ভুল,
মাটিৰ ৰঙেৰে    বৰণ সলোৱা
আকাশী পূজাৰ
বতাহী ফুল।

# কবিৰ কামনা

মই কবি, গাওঁ গান, শব্দৰ সপোন সাজোঁ
লিখোঁ যে কৱিতা,
ফুল আৰু পখিলাৰ চুমাত বিচাৰি চাওঁ
প্ৰেমৰ বজিতা।

দুৰণিৰ বনানিত প্ৰাণৰ হিল্লোল কঁপে;
পুৱতি তৰাই
সৰগৰ সিপাৰৰ অপৰূপ জেউতিৰ
সঙ্কেত জনায়।

কলঙ-পাৰৰ এই দুবৰিত আকাশৰ
বিচাৰোঁ তুলনা,
সৰি পৰা শেৱালিৰ কোমল সুবাসে মোক
কৰেহি উন্মনা।

বকুল ডালত সউ সখিয়তী পখীটিৰ
কৰুণ বিনানি,
মোৰ ই অন্তৰ ভৰি আকাশ উপচি পৰে
তাৰ প্ৰতিধ্বনি।

মই যি কৱিতা ৰচোঁ, গানৰ ভাষাৰে গাওঁ
প্ৰাণৰ বিনানি,
কোনোবা জোনাক নিশা তৰুণ হিয়াত তাৰ
লাগেনে কঁপনি?

দাপোনত মুখ চাই আপোন ৰূপত মুগ্ধা
কোনো ৰূপহীৰ,
পৰেনে মনত বাৰু এফাঁকি কৱিতা এই
বিৰহী কবিৰ?

বিফল-যৌৱনা কোনো গাভৰুৱে নেভাবেনে
কোন সেই কবি,
ছন্দৰ তুলিৰে আঁকে অশ্রু-ক্লান্ত জীৱনৰ
সোণোৱালী ছবি?

মাটিৰ চাকিটি মোৰ উৰণীয়া বা লাগি
হঠাতে নুমায়;
প্ৰীতিৰ বতাহে মোৰ আকাশী তৰাৰ হায়
হিয়া নকঁপায়!

কি বিচাৰোঁ প্ৰতিদান? কঙাল হৃদয়ে মোৰ
বিচাৰে কি ধন?
হাঁহিৰ বিজুলী এটি, দুটুপি চকুলো ভৰা
এযুৰি নয়ন।

## তিলোত্তমা

কোন ৰূপদক্ষ ভাস্কৰৰ তিলে তিলে গঢ়া তুমি ৰূপৰ প্ৰতিমা
চিৰ নিৰূপমা!
তোমাৰ কাৰণে ৰাণী! সদা অবিৰাম ভায়ে ভায়ে কৰিছে সংগ্ৰাম
হেৰা তিলোত্তমা!
হেজাৰ শিল্পীয়ে লেখে তোমাৰ ৰূপৰ কাব্য ৰেখাৰ ভাষাৰে, সখি
সহস্ৰ ভাস্কৰে
শিলত ফুলাই তোলে তোমাৰ সৌন্দৰ্য্যফুল, শিলে শিলে শেৱালিৰ
লাৱণ্য বাগৰে।
বুভুক্ষু দেৱতা কাম গৰজিছে বিশ্বজুৰি; ৰূপদীপ্তা! তুমি তাৰ
পূজাৰ গোলাপ;
সন্ধ্যাৰ কোমল ছাঁত প্ৰিয়াৰ হাতৰ তুমি চেতাৰৰ গুঞ্জৰণ,
অপূৰ্ব্ব আলাপ।
বননিৰ তলে তলে জোনাকীৰ হিয়া জ্বলে, আকাশত কোটি কোটি
তৰাৰ দীপালী,
নুমাই জ্বলিছা তুমি তৰাৰ জেউঁতি স'তে, জোনাকীৰ চেৰে চেৰে
হেৰা বাংঢালী।
দৃপ্তফণা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ,
তুমি তাৰ মণি;
উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগন উতলা কৰা
তুমি তূৰ্য্যধ্বনি।

মিলনৰ স্বপ্ন সানি ক্ষণে ক্ষণে চিৰদিন অশ্ৰুম্লান বিৰহক
কৰিছা সোণালী;
হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালি কাঢ়ি উমলিছা হেলাৰঙে
পাতিছা ধেমালি।

দেশ আৰু সময়ৰ সোণৰ শিকল ছিঙি কৰিছা বিলীন এই
সীমা ধৰিত্ৰীৰ;
উষা আৰু সন্ধিয়াৰ এন্ধাৰ-পোহৰ সানি আঁকিছা নিতউ ছবি
নতুন সৃষ্টিৰ।

## প্ৰেমৰ উত্তৰ

সাদৰী! তোমাৰ কোমল হিয়াৰ বিপুল প্ৰেমৰ
নীৰৱ দান,
উত্তৰ তাৰ মোৰ এই মাথোঁ অৰ্থ বিহীন
ছন্দ গান।
ফাগুন দিনৰ পলাশৰ জুই, বহাগী কুলিৰ
মধুৰ মাত,
গধূলি-সখীৰ বিদায় বিননি, তৰুণী উষাৰ
'সুপ্ৰভাত'।
এই সকলোৰে প্ৰকাশ-প্ৰয়াসী ছন্দকথাৰ
বিফল খেলা,
ভালপোৱা মোক, ভালপোৱা যাক, নকৰিবা হেৰা
তুমিও হেলা।
ভালপাওঁ বুলি কৰিছোঁ ছলনা, জানি শুনি কত
কৰিছোঁ ভুল,
ভুলতো নহয়, বেজাৰ-দুখৰ তেজেৰে-ৰাঙলী
হেজাৰ ফুল।
প্ৰাণৰ সুৰভি দিছা তুমি মোক, গানৰ পুৰবী
শুনাছোঁ মোৰ,
জীৱনৰ এই মৰু-হ্ৰদ জুৰি মহাসাগৰৰ
কঁপিছে সুৰ।

তুমি দিছা মোক নিমাত চেনেহ, অকণি হিয়াৰ
দান অতুল;
মোৰ লোৱা এই কামনা-কুসুম, দুখৰ বোকাৰ
পদুম ফুল।

## কলঙ্-পাৰত

আজি এই কলঙৰ নিজান পাৰত বহি কত কিযে
দেখিছোঁ সপোন;
সিপাৰৰ এজাৰৰ ৰূপৰ অনল-শিখা, সোণাৰুৰ
সোণালী যৌৱন
লাগিছে আপোন মোৰ। উটি অহা মেটেকাৰ বনৰীয়া
বিহফুল পাহি,
চকুলোৰো সিপাৰৰ দুখৰ কাহিনী কিবা সিও মোক
কয় হাঁহি হাঁহি।
ভাবিছোঁ অকলে কোন দিনা কোন ম্লান সন্ধিয়া পৰত
মাগিম বিদায়,
বিনন্দীয়া পৃথিবীৰ নিতউ নতুন শোভা ল'ম বাৰু
শেষবাৰ চাই।

ভাবিছোঁ নীৰৱে বহি মোৰ দৰে ব্যথাহত দুৰ্ভগীয়া
কোন সি তৰুণ,
আকুল গীতেৰে তাৰ কলঙৰ দুটিপাৰ কৰি গ'ল
কোমল কৰুণ।
কোনেনো জানিলে তাক? নিৰলে লেৰেলি গ'ল ব্যৰ্থতাৰ
তুচ্ছ ইতিহাস,
কোনেনো শুনিলে তাক? কবিতাৰ পূৰ্ণতাৰে নোৱাৰিলে
কৰিব প্ৰকাশ
বুকুৰ বেদনা সি। ময়ো যাম, সময়-সোঁতত উটি
আৰু কত যাব;
আহিব নতুন কবি কলঙ-পাৰত বহি যৌৱনৰ
আৰতি শুনাব।

হয়তো গানত তাৰ কান্দিব বাৰিষা-মেঘ চকুলোৰ
বৰষি অমৃত;
হয়তো ছন্দত তাৰ ধৰা দিব ৰুদ্ধ-কণ্ঠ শতাব্দীৰ
উদ্দাম সঙ্গীত।

কত ডেকা গাভৰুৰ নাচিব তেজত সেই আনন্দৰ
চঞ্চল মূৰ্চ্ছনা,
কত যুৱতি মালতীয়ে নীৰৱে সজাব সেই তৰুণৰ
ফুলাম অৰ্চ্চনা।
বুৰঞ্জীয়ে দিব তাক জীৱনৰ জয়মাল্য, সভ্যতাই
কৰিব বৰণ
নৱ-যুগ-ৰবি বুলি, বিস্মৃতি-সাপৰ বিহ হয়তো সি
কৰিব হৰণ।
আৰু আমি? বীণত নুঠিল যাৰ বাজি হায় অন্তৰৰ
পৰিপূৰ্ণ বাণী,
প্ৰেমৰ পদুম ফুলি উঠা নাই ভেদি যাৰ হৃদয়ৰ
ব্যথা-পঙ্ক-গ্লানি,
আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ
মিছা ইতিহাসে,
আমাক পাহৰি যাব প্ৰভাতৰ পূবেৰুণে, সন্ধিয়াৰ
সুন্দৰ আকাশে।

যদিও ই কলঙৰ নিভৃত পাৰত বহি, ইন্দ্ৰধনু
বিৰচি ছন্দৰ,
আমিয়ো বঙাই গলোঁ পুৱাৰ অৰুণ-ৰাগ, গধূলিৰ
হেঙুলী ডাৱৰ।

# ৰহস্য

মৃত্যুৰ সীমাতে এই ক্ষুদ্ৰ জীৱনৰ অমৃতৰ
কৰিলোঁ বন্দনা,
বুকুৰ ৰোমাঞ্চ সানি গঢ়িলোঁ ৰোমান্স্, সুন্দৰৰ
বিচিত্ৰ কল্পনা।

মনৰ মানুহ মোৰ ভোকতে শুকায়, কল্পনাৰ
ভাঙি কাৰাগাৰ,
বুকুৰে বিচাৰে মোৰ তপত পৰশ প্ৰিয়তমা!
বুকুৰ তোমাৰ।

দেহৰ ভঙ্গীত নাচে ৰূপহী! তোমাৰ অৱৰুদ্ধ
বিশ্বৰ যৌৱন,
হৰিণ-চকুত জ্বলে বন্ধুৰ মৰণ, চৰণত
নিৰ্ভয়-শৰণ।
চুকিয়ে নোপোৱা দীপ্তি নিবিচাৰোঁ মই আকাশৰ
দূৰণি তৰাৰ;
এগছি মাটিৰ চাকি,—সেয়ে হব মোৰ, আঁতৰাব
নিশাৰ এন্ধাৰ।

তেজ-মঙহৰ তুমি সামান্য পুতলা এটি, মৃত্যুশীল
ফুল মৰতৰ;
মনত জগোৱা তুমি তথাপি লাহৰি! সোঁৱৰণী
পাহৰা স্বৰ্গৰ।

বিজ্‌লীৰ ছন্দ তুমি, খন্তেকীয়া বিজ্‌লীৰ শোভা
তুমিতো নহয়;
বিজ্‌লীৰ আঁৰে আঁৰে জ্বলি থকা যৌৱনৰ তুমি
দীপালী অক্ষয়।

## মিৰাণ্ডা

মূৰ্চ্ছা-মগ্না ৰাজকন্যা নিজান দ্বীপত,
নিজেই বিভোৰা দেহি নিজৰ ৰূপত।
ধুমুহাৰ হেন্দোলনি, বাউলী প্ৰকৃতি,
তথাপি নীৰৱ কিয় যৌৱনৰ গীতি?
কিনো সি সোণৰ কাঠী, যাৰ স্পৰ্শ লাগি
কৈশোৰৰ ইন্দ্ৰজাল-তন্দ্ৰা যায় ভাগি?
কোননো তৰুণ বীৰ কোন মনোহৰ,
চুমাত জাগিল যাৰ যৌৱন সুন্দৰ?
অতীত কবিৰ কন্যা মিৰাণ্ডা সুন্দৰী
উতলা আজিৰ কবি তোমাকে সুঁৱৰি।

## শকুন্তলা

ছিন্ন কৰি কৈশোৰৰ স্নিগ্ধ যৱনিকা
যিদিনা উঠিলা জ্বলি হেৰা ৰূপশিখা!
বসন্তৰ পৰশত; উঠিল মুঞ্জৰি
শিৰীষ, তমালবন, মাধবী বল্লৰী
পুলকিতা হ'ল দেহি, প্ৰতি কাঁইটত
শিয়ৰি উঠিল ফুল তীব্ৰ হৰষত!
অন্তৰ উতলা কৰি ৰজা দুষ্যন্তৰ
সিদিনা জাগিল বাৰ্ত্তা কোন অমৃতৰ?
তোমাৰ স্মৰণবাগ, তাৰে অনুৰাগে
কবিৰ হিয়াত আজি দুষ্যন্ত যে জাগে।

লালসাৰ ভস্মঢকা সেই হৃদয়ত
সুপ্ত যি প্ৰণয়দীপ্তি, তাৰে পোহৰত
অন্ধ কবি চণ্ডীদাস; অমৃতৰ গীত
মৰণৰ উৎসৱত হ'ল উচ্ছ্বসিত।
পূজাৰ ফুলেৰে হ'ল সিদিনা সুন্দৰী!
তোমাৰ কামনা-হাৰ; উঠিল গুঞ্জৰি
কবিৰ বিৰাট প্ৰাণ,—মৃত্যুহীন গান
"মানুহ সবাতো সত্য" বাৰতা মহান।
আজিৰ কবিৰ গীত, ছন্দে ছন্দে তাৰ
তোমাৰ বন্দনা-বাণী বাজে সিদিনাৰ।

# কলঙ্-পাৰত মাজনিশা

অতপৰে আহিলা লাহৰি? বাট চাই আছোঁ তোমাল'কে অথনিৰে পৰা;
লুকাই আহিছা? ভয় নাই নেদেখে কোনেও, জোনবাই ডাৱৰে আবৰা।
আহাঁ মোৰ ওচৰতে বহা। কিয়নো কৰিছা লাজ সোণ? একো লাজ নাই,
কলঙৰ নিজান পাৰত তুমি আৰু মই আছোঁ, মাথোঁ কদম জোপাই
সাখী ক'ব তুমি আৰু মই আজি নিভৃতে মিলাৰ হেৰা, সউ বকুলৰ
ডালত কুৰুলি মৰা নিয়তি হালিয়ে জানিব মাথোন তুমি আজি মোৰ।
এতিয়াই যাবা ঘৰলই? কিয় কেনেবাকে কোনোবাই যদি সাৰ পায়?
তুমি-গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া! কাঁইটৰ শংকা মোৰ নাই।
আহাছোঁ ওচৰ চাপি, সঙ্কোচৰ ব্যৱধান নেৰাখিবা বিদায় নিশাত;
ভাগৰ লাগিছে যদি, নকৰিবা একো লাজ, থোৱা মূৰ মোৰেই কোলাত।
চাই লওঁ তোমাৰ মুখনি, লীন হক তোমাৰ চকুত দুটি চকু মোৰ,
যিদৰে মিলিছে আজি আমাৰ বিষাদ স'তে আকাশৰ মলিন পোহৰ।
তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন? মাথোঁ দহদিন আছে?

এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম
মোৰ বাটে বাটে।
নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা যি
ন চাকি গছি,
তাৰ পোহৰত যাব জীয়ৰী কালৰ আশা, সুখ, দুখ
দিনে দিনে মচি।
তুমি মোক পাহৰি পেলাবা; মোৰ দোষ, মোৰ গুণ, হায়
মোৰ ভালপোৱা,
পাহৰিবা তুমি সখি! আজিৰ নিশাৰ স্মৃতি, পাহৰিবা
তুমি মোৰ হোৱা।
হয়তো কোনোবা নিশা বহিবা ইয়াতে আহি, ওচৰত
বৰ প্ৰিয়জন;
বকুলৰ সুগন্ধিয়ে তেতিয়া তোমাৰ বাৰু কিবা কিবি
কৰিবনে মন?
হয়তো কৰিব পাৰে, হয়তো নকৰে, মোৰ খেদ নাই।
মোৰ অহংকাৰ
প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!
হিয়াৰ তোমাৰ।

## মনোৰমা

চকুত তোমাৰ সপোনৰ মায়া,
মুখত জোনৰ বিমল ছাঁ,
নিশাহত যেন কোমল ঘাঁহৰ
সুৰভিৰে পুৰ মৃদুল বা।

ক'লা চুলিটাৰি, কোনে সানি দিলে
আঁউসী নিশাৰ সুষমা তাত?
কেতিয়া শিকালে কপৌৰেনো তাৰ
মন কিবা কৰা উৰুঙা মাত?

আগ বাৰিষাৰ বা ৰিব্ ৰিব্
বতাহৰ দৰে তোমাৰ হাঁহি
উলাহতে তাৰ নাচিছে কলঙ্
বিহ মেটেকাই মেলিছে পাহি!

দহোটি আঙুলি চ'পা-কলি যেন
পদুমৰ ঠাৰি দুখনি হাত
চুই দোৰপতি থৰকবৰক
তত্ নাইকিয়া মাকোৰ গাত।

নিপোটল বুকু, লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিম গুটি,
মৰমময় মোৰ জীৱনত সখি!
তুমি কবিতাৰ একোটি সুঁতি।

## নিশাৰ পূৰবী

পূৰবৰ পদুম তুমি, পোহৰৰ আদৰণি
স্নেহময়ী কোমল ভৈৰবী,
নিশাৰ এন্ধাৰ মই, আপোন দুখেৰে ম্লান
দীনহীন ভাষাহীন কবি।

নীৰৱে বিদায় লওঁ নিশাৰ কলিটি হেৰা
পোহৰৰ ফুলাম সৌৰভ,
তোমাৰ পাহিতে থোৱা এটুপি চকুলো মাথোঁ
তুচ্ছ মোৰ দানৰ গৌৰৱ।

নিশাৰ নিয়ৰ দেহি দিনত শুকাই যাব
পাহৰিব ৰাতিৰ চিনাকি,
প্ৰীতিৰ তৰাটি মোৰ হঠাতে নুমাব হায়
পোহৰৰ নিঠুৰ বা লাগি।

দিনৰ দেৱতা যাব সোণৰ ৰথত উঠি
হৰি নিব মাধুৰী সকলো,
এৰি যাব দুগালত কলঙ্কৰ দুটি চিন,
দুচকুত দুটুপি চকুলো!

আহিবা তেতিয়া তুমি মোৰে কাষলই
দুচকুত চকুলো সমল,
নিজকে কৰিবা লীন নিশাৰ বুকুত হেৰা
পোহৰৰ ৰূপহ কমল।

## পৃথিৱী

কোন দূৰ শতিকাৰ বুৰঞ্জী-বিস্মৃত কোন
সোণালী ক্ষণত,
কোননো অপ্সৰী আহি ভাঙিলে তপস্যা কাৰ
এটি কটাক্ষত?

তোমাৰ চকুত প্ৰিয়া জ্বলেনে বিজুলী সেই,
সিদিনাৰ দৰে
উঠেনে ফুলনি হাঁহি তোমাৰ চেনেহ লাগি?
বৰ্নিন শিয়ৰে?

মেখেলাৰ পাতলিত জ্বলেনে অযুত তৰা?
বিহাৰ আঁচলে
যি বসন্ত অহা নাই আনেনে সুৰভি তাৰ?
কলঙ উথলে?

যি পদুম বিচাৰিলোঁ জীৱনৰ খালে বিলে,
ঘাটিলোঁ নৰ্দমা;
নোপোৱা পদুম পাহি তুমিয়েনে মোৰ বাৰু
হেৰা মনোৰমা?

পদুমৰ পাহি সৰে, বসন্ত লেৰেলি পৰে,
মাৰ যায় তৰা,
হাঁহি আৰু মৰণৰ অপূৰ্ব্ব আভাৰে দীপ্তা
এই বসুন্ধৰা।

তুমিও মৰিবা সখি! শেষ হ'ব খেলি-মেলি
এই উপন্যাস;
তোমাৰ প্ৰেমেৰে ৰঙা আজিৰ কবিতা হ'ব
শব্দৰ বিন্যাস।

সঁচা আৰু কল্পনাৰ মিছা বোল সনা এই
আমাৰ জীৱন,
অমৰ কৰিবা তাক সানি কিটো অমৃতৰ
নিষ্ফল ৰহণ?

খন্তেক-যৌৱনা প্ৰিয়া! শোভিছা খন্তেক মাথোঁ
এই মৃত্যু-ভূমি;
অৰ্থহীন জীৱনৰ কৰুণ ৰহস্য এয়া,
অৰ্থ তাৰ তুমি?

নিৰুপায়! পৃথিৱীৰ শোভা ঢাকি আকাশৰ
বিষাদ নীলিমা;
তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱীখনি
মৃত্যু তাৰ সীমা।

কাক দিবা? দিবা কাক? মনৰ মাধুৰীৰাশি, শৰীৰৰ
শোভা সুকুমাৰ?
দেৱতাক? দেৱতাৰ নুগুচে পিয়াহ হায়, অভাগিনী
প্ৰেমেৰে আমাৰ।

দেৱতাক লাগে তেজ, ৰঙা তেজ লাগে মাথোঁ মানুহৰ
আহত হিয়াৰ;
তুমি তাক প্ৰেম দিবা? চৰণত কান্দে যাৰ প্ৰেমাঞ্জলি
ৰম্ভা মেনকাৰ!

নন্দনৰ পাৰিজাতে, ময়াপী হাতেৰে গঁথা মন্দাৰৰ
মোহন মালাই
যাক আমুৱায়, তাক দিবা ধৰণীৰ ফুল? পুৰা ফুলি
গধূলি শুকায়

বিলাসী ধনীক দিবা মুখৰ গৰাহ কাঢ়ি ক্ষুধাতুৰ
দীন ভিখাৰীৰ?
লুইতক দিবা তুমি পিয়াহৰ পানীটুপি তৃষাতুৰ
পাৰৰ বালিৰ?

মাটিৰ সন্তান আমি, মাটিৰ বুকুত ফুলা কাঁইটীয়া
ফুলৰ সুষমা,
আমাৰ কাৰণে সখি! আমাৰ কাৰণে কান্দে গাভৰুৰ
ওঁঠৰ লালিমা।

হিয়া নিয়া আমাৰ ধেমালি মাথোঁ, ভগা হিয়া মানুহৰ
নিজস্ব গৌৰৱ;
বিৰহৰ চকুপানী মৰতৰ মন্দাকিনী, প্ৰেম তাৰ
মন্দাৰ সৌৰভ।

সংশয়ৰ ধুমুহাত নাচিছে আমাৰ নাও বেদনাৰ
মহাসাগৰত,
আমাৰ দুখৰ তুমি নলবানে ভাগ বাৰু? ৰঙ চাই
থাকিবা পাৰত?

ভুল, ভুল, হিংসামত্ত দেৱতাৰ ঈৰ্ষাৰ বেদীত আমি
বলি যে মাথোন,
আদিম যুগৰ সেই শংকাতুৰ মানুহৰ অন্তৰৰ
ভয়ৰ স্পন্দন।

সৃষ্টিৰ দিনৰে পৰা নিয়তিৰে স'তে হেৱা মানুহৰ
সংগ্ৰাম অক্ষয়,
আমি তাৰে স্মৃতি-স্তম্ভ সোঁৱৰাও মানুহৰ বীৰ্য্য আৰু
নিয়তিৰ জয়।

## অপ্ৰকাশ

মোৰ বাবে নেগাঁথিবা মালা, মোৰ কথা শুনা, কাৰো বাবে
মালা নেগাঁথিবা,
অন্তৰৰ অনন্ত কৱিতা খন্তেকীয়া ফুলৰ ভাষাৰে
কিদৰে লিখিবা ?

কিদৰে কৰিবা বাৰু এটোপাল নিয়ৰেৰে সাগৰৰ
বিস্তৃতি প্ৰমাণ,
বিন্দুৰ গৌৰৱ তাত হয়তো হবও পাৰে, মহাসিন্ধু
তাৰ অপমান।

জানা জানো, তোমাৰ হাতৰ মালা আদিম নাৰীৰ সেয়া
সঙ্কেত প্ৰেমৰ ?
তোমাক উদ্দেশি লিখা মোৰ কৱিতাত কান্দে অনুৰাগ
আদি মানৱৰ ?
সন্ধিয়া কোমল কৰা শেৱালিৰ মৃদুবাস, মনোৰম
হাঁহি গোলাপৰ;
মাৰ গই আছে তাতে কত শৰতৰ স্মৃতি, লুপ্ত শোভা
কত বসন্তৰ !
পুৰাব পোহৰ দেখি বনৰ চৰায়ে তোলে ডালে ডালে
সুৰৰ লহৰ;
আজিৰ পৃথীৰ হায় ডিঙিত কান্দিব খোজে সোঁৱৰণী
কত প্ৰভাতৰ !
সৃষ্টিৰ দিনাৰে পৰা আজিল'কে সকলোতে সৌন্দৰ্য্যৰ
বিকাশ বিশাল,
অপ্ৰকাশ সৌন্দৰ্য্যৰ সীমাহীন সমুদ্ৰৰ এটি মাথোঁ
সামান্য টোপাল !

কাণ পাতি শুনা হেৰা, আমাৰো হিয়াত কঁপে অনুভূতি
সেই মাধুৰীৰ;
দুৰ্ব্বল মানুহ আমি কিদৰে প্ৰকাশোঁ তাক? পৰিহাস
হায় নিয়তিৰ।

অন্তহীন অনুভূতি—অকণি প্ৰকাশ, দুখ মানুহৰ;
তাৰ প্ৰতিকাৰ?
একো নাই,—মনক বুজাওঁ মই কৱিতাৰ মালা গাঁথি,
তুমি? ফুলহাৰ।

# অসাৰ্থক?

গানে মোৰ নোচোৱে আকাশ, চোৱে জানো হৃদয় তোমাৰ?
নেজানো সঠিক,
তোমাক উদ্দেশি গাওঁ যত মোৰ গীত সখি! সেয়ে হ'ব
নেলাগে অধিক।

খন্তেকৰ ফুল ছিঙি চেনেহৰ যিবা মালা বাতিপুৱা
গাঁথি ফুলনিত
তোমাক পিন্ধাওঁ প্ৰিয়া! গধূলি শুকাই যায় সেই মালা
তোমাৰ ডিঙিত।

পোহৰত হাঁহি নাচি উঠে যি পৃথিবীখনি, সৌন্দৰ্য্যৰ
পিন্ধি পুষ্পহাৰ,
নিৰলে লেৰেলি পৰে যেতিয়া মৰণ-ছাঁ লাহে লাহে
নামে সন্ধিয়াৰ।

দুখৰ নিশাত আমি জ্বলাই আশাৰ চাকি, পোহৰাওঁ
খন্তেক মাথোন
আমাৰ জুপুৰি পঁজা; জগত এন্ধাৰ ৰয়, নীলাকাশ
তিমিৰ মগন।

অসত্য বিশ্বৰ লীলা? কোনে কয়? সত্য এই বেদনাৰ
গৌৰৱ অক্ষয়;
সত্য এই দিনে দিনে পোহৰৰ অভিযান, সত্য হেৰা
এন্ধাৰৰ জয়।

ক্ষুদ্র পৰিসৰ এই ধৰাৰ কাৰাত বন্দী, আমি হায়
ধূলিতে বাগৰি,
গোলাপৰ পৰশত বিচাৰোঁ প্ৰিয়াৰ স্পৰ্শ, মলয়াত
প্ৰিয়াৰ বাতৰি।

গছ, লতা, ফুল, বায়ু অচলা প্ৰকৃতি হায় বুদ্ধ যাৰ
প্ৰাণৰ প্ৰগতি,
কিদৰে বুজিব বাৰু তোমাৰ বুকুৰ ব্যথা, মোৰ এই
দুখৰ আৰতি?

ভাল পাওঁ কিয় মই? কিমতে বুজাওঁ হেৰা ভাল পাওঁ
কিয়নো তোমাকে?
বিশ্বৰ মাধুৰীৰাশি, জীৱনৰ মউকোঁহ আছে দেখি
লুকাই তোমাতে?

এটা কথা জানো মাথোঁ, জীৱনৰ যত দৈন্য, সঁচা-মিছা
পংক পাৰ হই,
ফুলিছোঁ পদুম দুটি, ওঁঠতে লগাই ওঁঠ, মনোৰমা!
তুমি আৰু মই।

আমিও মৰহি যাম? অসাৰ্থক প্ৰেম মোৰ? পাপ-মাথোঁ
এই চুমাচুমি?
কি কৰিম? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে
তুমি ৰ'বা তুমি।

## ৰঙা এটি কৰবীৰ ফুল

মনে মনে আহিবা লাহৰি! যিদৰে সন্ধ্যাৰ ছাঁ-ই
মনে মনে পৃথিৱী আবৰে
লয়লাসে আহিবা সাদৰী! শৰতৰ আকাশত
বগলীৰ উৰণৰ দৰে।

নাহিবা দিনত দেই, ভগা এই ছাল বাৰ বাৰ
পোহৰত সহিবা কিমতে?
নিশা হলে আহিবা লাহৰি! ৰূপোৱালী জোনাকত
শেৱালিৰ সুৰভিৰ স'তে।

টোপনিত লালকাল হই যদি থাকোঁ মই সোণ!
নীৰৱে জগাবা দেই, হায়
অভিমান নকৰিবা যদি মই মুখেৰে নেমাতোঁ
ৰ লাগো তোমাকেই চাই।

তুমি মোক নকবা একোকে, একোকে নকওঁ ময়ো
দুয়ো মাথোঁ দুয়োল'কে চাই
চকুৰ ভাষাৰে ক'ম অন্তৰৰ সাঁচি থোৱা কথা,
যি কথা কাকো কোৱা নাই।

নিৰলে মৌলিৱ পাহি ফুলনিত ৰজনীগন্ধাই,
মাৰ যাব কোঢ়াল সকলো;
দূৰৈত কান্দিব মাথোঁ কেতেকীয়ে ডিঙি ভাঙি ভাঙি,
গছপাতে সৰাব চকুলো।

মায়াময় সেই জগতত, দিঠকৰ বহু আঁতৰত
অশ্ৰু য'ত হাঁহিৰ আপোন,
তুমি আৰু মই সখি? দেশ-কাল থাকিম পাহৰি
ৰঙা-নীলা সাজিম সপোন।

আহিব পুৰাই ৰাতি? আহিব লগত দিঠকৰ
যত গ্লানি, দুখ আৰু ভুল?
সপোনৰ সোঁৱৰণী এৰি যাবা তোমাৰ খোপাৰ
ৰঙা এটি কৰবীৰ ফুল।

# লাচিত ফুকন

লাচিত ফুকন! লাচিত ফুকন! মোৰ স্বদেশৰ বীৰ!
দেশৰ কাৰণে তাহানি এদিন যাচিলা নিজৰ শিৰ।
দেশৰ কাৰণে, মুক্তিৰ হকে, অন্যায় ৰোধি বীৰ!
নৱ-শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ।
দেশৰ কাৰণে শুনিলা এদিন মৃত্যুৰ আৱাহন,
জাতিৰ বুকুত জগাই তুলিলা দুৰ্ম্মদ যৌৱন।

পছোৱা বিনাই যায়,
তাৰ আঁৰে আঁৰে করুণ সুৰেৰে কোনে যেন কয়, "হায়
এয়ে সি বিৰাট গড়,
যি ঠাই এদিন বলিশাল হ'ল অপৰাধী মাতুলৰ।"

শুনিছোঁ বন্ধু! ইব্ৰাহিমৰ কাহিনী বীৰত্বৰ,
দেৱতাৰ হকে পুত্ৰবুকুত হানিছিল খঞ্জৰ।
সিদিনা আহিল দেৱদূত নামি দূৰ সৰগৰ পৰা,
পুত্ৰহন্তাৰ নামতে আজিও গৌৰৱময়ী ধৰা।
হে অসমৰ ত্যাগৰ মূৰ্ত্তি! মাতুল-ঘাতক নৰী!
তোমাৰ আৰতি কৰিলে সিদিনা অসম-ভাগ্য-ৰবি।

দেশৰ বাতৰি শুনিবানে বীৰ? নিদিওঁ তোমাকে ফাঁকি,
তোমাৰ অসম নাই আৰু, আজি জ'কাটোহে তাৰ বাকী।
লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া,
মৰি হাজি ঢুকাল সকলো, চিনচাব নাইকিয়া।
"অসমৰ এই কাম্যভূমিত" চৰিছে গাধৰ পাল,
বোজা বই বই পৰিল ক'কাল পিঠিৰ ছিগিল ছাল।

তেওতো অকণো কাণসাৰ নাই, কত যে ৰঙেৰে চৰে,
এমুঠি দানৰ কাৰণে সকলো প্ৰভুৰ পিছত লৰে।
প্ৰভুৰ কাষত কামৰ মূল্য, চৰ, ভুকু, কিল পায়,
তাতো যে সবেও পায় আনন্দ, নিৰুপায়! নিৰুপায়!
হায় সময়ৰ সোঁত,
সিংহৰ হ'ল সন্তান গাধ, অদ্ভুত! অদ্ভুত!

আনফালে সউ আপোন অন্ধ নকলনবীছ দল,
মুক্তি ৰণৰ মক্‌ফাইট কৰি ফাঁকিৰ আনিছে ঢল।

পিয়ানো বজাই পূজাৰ আৰতি, বেদীত মমৰ বাতি
জ্বলাই আনিব দেশৰ মুক্তি, পুৰাব দুখৰ ৰাতি!
দেশ-জননীয়ে বিনায় শোকত শুনি এই আৱাহন,
মুক্তি পলাল দেখিয়ে পূজাৰ অদ্ভুত আয়োজন।

স্বদেশ প্ৰেমৰ কোৱাল সোঁতত দেশ আজি টলমল,
স্বদেশৰ গছ, স্বদেশৰ শিল, স্বদেশৰ বাঁহতল,
সকলোতে আজি স্বদেশী-কবিৰ কবি-অন্তৰ জাগে,
দেশৰ মানুহ নেখাই মৰিছে সন্ধান কোনে ৰাখে?
বাহিৰত সউ ঘটে বিপ্লৱ; অশেষ যত্ন কৰি
আমি নিৰুপিলোঁ কানিৰ মূল্য, কিমানত কেইভৰি!
শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথোঁ থিত
মৰ-আঁউসীত হাল বালে লাগে কেই ধেনু পৰাচিত।
ত্ৰিশদিন আৰু এঘাৰ দিনৰ গছকত হায় পৰি,
দুখুনী অসম জননীৰ দেহি কোঙা হ'ল হাত ভৰি।
বক্তৃতা দি আকাশ কঁপাই, চিঞৰত টেটু ফালি,
বাঁহৰ কামীত চূণ সানি লৈ ধৰোঁ আমি ৰণছালি।

বছৰি বছৰি স্মৃতি-সভা পাতি বীৰপূজা কৰি বীৰ! তোমাৰ
হাবাথুৰি খাওঁ বিচাৰি চাকৰি আবগাৰী দাৰোগাৰ।
এয়ে সি অসম দেশ,
দুখৰ কাহিনী কিমান শুনিবা? নপাৰিব তাৰ শেষ।
দেশৰ মানুহ! তুমি তো বুজিছা স্বদেশৰ এই গ্লানি,
তুমি তো দেখিছা মৰণৰ ছাঁ অসম আকাশ ছানি।

স্বদেশ পূজাৰ মন্দিৰ যাৰ কেৱল লোকেলবৰ্ড,
জ্ঞান সাগৰৰ দুইপাৰ যাৰ চিভিল-পিনাল-ক'ড,
মন্ত্ৰীত্ব যাৰ শেষ কল্পনা, এচেমব্লী যাৰ আশা,
সিনো কি বুজিব হে বীৰ! তোমাৰ ৰণ-দুৰ্ম্মদ ভাষা?

দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ হিয়া,
দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দিয়া,
আকউ এবাৰ শুনোৱা তোমাৰ ৰণ-আহ্বান-বাণী,
আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগাপানী।

## অৰ্থহীন?

সাগৰতো যি সঙ্গীত উঠা নাই কঁপি
যি যৌৱনে নিসংকোচে আপোনাক সঁপি
অচিনাকি বান্ধৱীক, আপোনাক লুপ্ত কৰা নাই;
অৰ্থ তাৰ নাই?

আকাশৰ অন্তহীন জ্যোতি উৎসৱত
সৃষ্টিৰ উল্লাস সনা ৰঙা আৱেগত
যি নক্ষত্ৰে আপোনাক এতিয়াও দীপ্ত কৰা নাই;
অৰ্থ তাৰ নাই?

শৰতৰ প্ৰভাতৰ অপূৰ্ব্ব কিৰণে
ৰূপৰ ৰহণ ঢালি বৰণে বৰণে
উজলোৱা নাই যাৰ বিশ্বজয়ী স্বৰ্ণধ্বজ ৰথ;
অৰ্থ তাৰ ক'ত?

সন্ধিয়াত যি পদুম লেৰেলি পৰিল,
বসন্তৰ যিটি কলি ফুলি নুফুলিল,
যি জোনাকে গাভৰু-হিয়াত হায় ঢউ তোলা নাই;
অৰ্থ তাৰ নাই?

অন্তৰৰ যি কৱিতা আধা লেখা হ'ল,
জীৱনৰ যি ছবিটি আধা অঁকা ৰ'ল,
ৰেখাময় বান্ধোনত যি কান্দোনে ধৰা দিয়া নাই;
অৰ্থ তাৰ নাই?

# প্ৰগতি

মানুহে ফুলাব খোজে শুকান মৰুত ফুল,
হিংসাতুৰ হৃদয়ৰ প্ৰীতি;
মানুহে বিচাৰে তাৰ বীণাত জুৰিব দেহি
অন্তৰৰ অন্তহীন গীতি।

গোলাপে কি ভাষা কয়, গধূলি-মধুৰ-কৰা
কামিনীৰ কোমল সুবাসে,
মানুহে মনত গঢ়া স্বৰ্গৰ বাৰ্তাৰ কিবা
সংগোপনে আনে লয়লাসে

মানুহে জানিব খোজে। মানুহে গুচাব খোজে
প্ৰকৃতিৰ ৰহস্য-ওৰণি;
মানুহে বুজিব খোজে সেউজীয়া হিয়া ভেদি
ধৰণীৰ জ্বলে কি অগনি।

বন্তিৰ পোহৰে কিয় চগাক বলিয়া কৰে?
দুটি চকু কিয় শুকতৰা?
মাটিৰ শৰীৰ এটি তুচ্ছ পৰশত তাৰ
অমৃতৰ কি সন্ধান ভৰা?

ৰহস্যৰ সিপাৰত হাঁহেনে বসন্ত নৰ?
ইপাৰত শুকায় ফুলনি;
স্নেহ-শ্যাম মৰুদ্যান দূৰৈত শোভিছে কেনি?
ওচৰত তৃষাৰ বিননি।

মানুহে শুনিব খোজে জীৱনৰ ইতিহাস,
সৃজনৰ কাহিনী দুখৰ;
হেজাৰ প্ৰশ্নৰ তাৰ দুৰ্ব্বল মানুহে আজি
প্ৰত্যেকৰে বিচাৰে উত্তৰ।

মানুহে সাজিব খোজে মৰততে স্বৰ্গ এক
যুগে যুগে বিশ্বমনোলোভা;
মানুহে আনিব খোজে অশ্ৰুক্লান্ত বাৰিষাত
চিৰন্তন বসন্তৰ শোভা।

মাটিৰ মানুহে হায় প্ৰয়াস কৰিছে কত
বুৰঞ্জীৰ আৱৰ্ত্তৰে পৰা;
নজনা দিনৰ সেই নৱ-সূৰ্য্য-বন্দনাৰে
কতবাৰ মুখৰিছে ধৰা।

বিপুল সাধনা তাৰ, বিফল প্ৰয়াসে সেই
গঢ়িছে যি প্ৰগতিৰ পথ,
হেজাৰ জীৱন দলি চলিছে সি বাট ধৰি
জীৱনৰ মৃত্যুধ্বজ ৰথ।

## 'শেৱালি' কবিৰ প্ৰতি

শেৱালি তলৰ অ' ব'ৰাগী!
কল্পলোকৰ সুৰৰ ৰাগী
দিঠকৰ এই মৰুলৈ নমালা,
উঠিল হাঁহি
শেৱালি পাহি।

ব'ৰাগী! তোমাৰ কোমল গানে
মধুমালতীৰ সুৰভি জানে;
সখি পখীটিৰ ডিঙিত বিনায়
অশ্ৰু গধুৰ
তোমাৰ সুৰ।

যি আবেগত সাগৰ কঁপে,
ফুলে পখিলাক হৃদয় সঁপে,
হেজাৰ চগাই বিচাৰে মৰণ
পোহৰ চুমি
বুজিছা তুমি?

মানুহৰ বেশে কোননো দেৱী,
চৰণত যাৰ ঢালিলা হবি
প্ৰথম প্ৰেমৰ সকলো কামনা,
কবিলা দান
প্ৰথম গান।

হিয়াহীনা সেই পাষাণী প্ৰিয়া,
নগলিল যাৰ শিলৰ হিয়া
কাকূতিত হায়, সকলো মিনতি,
সকলো ছল
অথলে গ'ল।

বনৰ শেৱালি বকুলি আনি,
মনৰ ফুলৰ মাধুৰী সানি,
উদ্দেশি কবি! বিফল স্মৃতিক
সেই নিদয়াৰ
গাঁথিছা হাৰ?

## উৰ্ব্বশী-বিদায়

স্বৰ্গ সভাৰ নৰ্ত্তকী হেৰা,
মৰ্ত্ত্য হিয়াৰ
দেৱতা!
কোন কোঁৱৰৰ চুমাই জনালে
আমাৰ চেনেহ
বাৰতা?

নামিলা সিদিনা ধৰাৰ ধূলিত
আকাশী ৰূপৰ
জেউতি,
পৰশত তুমি ফুলালা সিদিনা
চম্পা, শেৱালি
সেউতী।

সিদিনা কৰিলা ব্যাকুল বিশ্ব,
কবিক কৰিলা
উতলা,
সফল কৰিলা বাটে বাটে তাৰ
মুকুতাৰ মণি
বোটলা।

সিদিনাৰ দৰে আজিও ইয়াত
বাগৰে হাঁহিৰ
নিজৰা,
আমাৰ চকুৰ বাৰিষাৰে সখি!
পৃথিবী আজিও
উৰ্ব্বৰা।

মন্দাকিনীত ঢউ নাচে হেৰা
ধাননিত ঢউ
কঁপাতে,
হাঁহি উঠে সউ পাৰিজাতবন
তুমি মোত হিয়া
সঁপাতে।

ধুনীয়া আজিও বনানিৰ ফুল,
ধুনীয়া আজিও
বনানি,
বিনায় আজিও হেজাৰ হিয়াত
তোমাৰ হিয়াৰ
বিননি।

দেহে দেহে জ্বলে প্ৰেমৰ প্ৰদীপ,
মনে মনে বাজে
আৰতি,
হেজাৰ চগা যে ডেই পুৰি মৰে
অগনিৰ শিখা
সাৰটি।

সুন্দৰ এই মৰণৰ খেলা,
মৰণ বিজয়ী
সাধনা,
সুন্দৰ এই মৰণ-বুকুত
জীৱন পাবৰ
কামনা।

আজিও কঁপিছে সৃষ্টিৰ ভাষা
কুলি কেতেকীৰ
মাততে,
অমৃত আছে মৰু মৰতত
গাভৰুৰ ৰঙা
ওঁঠতে।

ভঙ্গুৰ এই দেহৰ মিলন?
মৰহিব এই
যৌৱন?
সলনিৰ বাত শুকাব এদিন
প্ৰেমৰ মোহন
মৌ-বন?

দুখৰ পীড়ন? এই ধৰণীৰ
পীড়িত মুখৰ
কালিমা,
তাৰে ছাঁ মাথোঁ সউ আকাশৰ
নিমাত নিথৰ
নীলিমা?

ছলনাৰ গ্লানি? থক হেৰা আৰু
দুখৰ বাতৰি
নানিবা;
জীৱনৰ ছবি কুৰূপ যদিহে
এফেৰিও ৰং
সানিবা।

জানি শুনি আমি পাপ কৰোঁ কিয়
তুমি কিটো তাৰ
বুজিবা ?
কোন সতে হেৰা দিয়া হিয়াখনি
ওভোতাই বাৰু
খুজিবা ?

আমি থাকোঁ এই মাটিৰ সীমাত
জনম-মৃত্যুৰ
মাজতে,
প্ৰেম নিবেদন কৰুণ আমাৰ
অক্ষমতাৰ
লাজতে।

সীমাহীনা সখি! বিদায়, বিদায়,
বিদায়, সৰগ-
বৰণী!
মানুহৰ থক চকুৰ লোতক,
ধূলি আৰু এই
ধৰণী।

## যৌৱন

যৌৱন যৌৱন
সৃষ্টিৰ মৌ বন
অনাগত জীৱনৰ অনাহূত গান;
মন্দাৰ সৌৰভ
স্বৰ্গৰ গৌৰৱ
ধূলিময় ধৰণীত মাধুৰীৰ বান।

বিশ্বৰ সাধনা
পুষ্পৰ বেদনা
পছোৱাৰ হা-হুতাশ মলয়াৰ বা;
মিলনৰ স্বপ্ন
অমৃত লগ্ন
তৃষাতুৰ আকাশত ডাৱৰৰ ছাঁ।

যৌৱন হিল্লোল
সিন্ধুৰ হিন্দোল
ধুমুহাৰ উন্মাদ শংখৰ ফুঁ;
যৌৱন স্পন্দন
মৃত্যুৰ ক্রন্দন
তৃষাতুৰ মৰুভূত চাইমুম্ লু।

যৌৱন যৌৱন
অস্ত্ৰৰ ঝন্ ঝন্
অশ্বৰ হ্রেষা-ৰৱ দুন্দুভি-নাদ;
ধ্বংসৰ আৰতি—
পাৰ্থৰ সাৰথি
উন্মাদ, উন্মাদ, আজি উন্মাদ!

ৰুদ্ৰৰ কণ্ঠ
বাধাহীন ছন্দ
প্ৰলয়ৰ উল্লাস সৃষ্টিৰ গান;
মুক্তিৰ উৎসৱ
বিদ্ৰোহ বিপ্লৱ
দুখীয়াৰ পূজা এয়া ভিখাৰীৰ দান।

# সংযোজন

## আমি দুৱাৰ মুকলি কৰোঁ

মোৰ মেজৰ ওপৰত এখন ছবি আছে
নিকোলাচ ৰ'ৰিকৰ—নাম তাৰ?
তাৰ নাম—"আমি দুৱাৰ মুকলি কৰোঁ।"

কিহৰ দুৱাৰ? পুবৰনে পচিমৰ?
নে দক্ষিণৰ যমৰ দুৱাৰ?
নে মহাপ্ৰস্থানৰ আমন্ত্ৰণ-মুখৰিত
উত্তৰাপথৰ সিংহদ্বাৰ?

মই কবি দেৱকান্ত
যৌৱনৰ বিয়লি বেলিকা
বাটৰ কাষত বহি খন্তেক মাথোন—
দেখিছোঁ সপোন আজি দীঘল বাটৰ
অন্তহীন বিফল বাটৰ।

জিৰণি ঘৰত শুনো হাঁহি-খিকিন্দালি
ঠাই ক'ত জিৰণিৰ?
ৰুদ্ধ তাৰ দুৱাৰ মুখত জনতাৰ হেঁচা-ঠেলা।
দুৱাৰ মুকলি ক'ত?

জানো। জীৱনৰ উদ্‌ভ্ৰান্ত ছন্দৰ তালে
উতলা কৰিছে মোক।
জানো মোৰ গতি নাই গতিৰ বাহিৰে।
কিন্তু যাত্ৰাৰ শেহত ক'ত মুকলি দুৱাৰ?

পাম জানো সিংহদ্বাৰ প্ৰাণৰ ছন্দত মোৰ
বাদুলি-সঁচাৰ যাৰ মেল খাব নিজে নিজে
যৌৱনৰ নিমন্ত্ৰণ যাচি?

ভ্ৰমিলোঁ বহুত বাট;

পেৰুত ইংকাৰ স'তে সোণ-ৰূপ খটোৱা পাল্কীত।
মৰণ-মধুৰ সেই যৌৱনৰ বিৰাট যজ্ঞত, মৌক্তিকোত
ঢালিলোঁ আহুতি মই ৰূপ-কোঁৱৰৰ স'তে
ৰূপহীৰ নৃত্যৰ ছন্দত।

নিনেভাৰ পাখিলগা যাঁড়ৰ আগত
অসুৰৰ বিজয় উৎসৱ। তাতো যোগ দিলোঁ মই।
শূন্যোদ্যান বেবিলন। ইষ্টাৰৰ মন্দিৰৰ দুৱাৰ দলিত
প্ৰেমাকাঙ্খী শত দেৱদাসী।
প্ৰেমাঞ্জলি কৰিলোঁ গ্ৰহণ দেৱদাসী-ৰাজকুঁৱৰীৰ।
কত ৰং ধেমালিৰ কৰিলোঁ পাতনি
ডেকা গাভৰুৰ স'তে
উছৰ তলিত মই সমুদ্ৰস্তনিত সেই শুৱনি ক্ৰীটৰ।

ভ্ৰমিলোঁ বহুত বাট।
কিন্তু দুৱাৰ মুকলি ক'ত?
বন্ধ দেখোঁ সকলো দুৱাৰ।
দুৱাৰ মুকলি মাথোঁ অচল ছবিৰ
কিতাপ দ'মত থকা নিকোলাচ ৰ'ৰিকৰ
এখনি ছবিৰ।

# এটি প্ৰাৰ্থনা

আত্মদীপে দেখুৱাব বাট?
হে তথাগত! জোনাকী আত্মাব মোব বিক্ষিপ্ত পোহৰে বাৰু
কিদৰে দৰ্শাব পথ?

স্বপ্ন আৰু দিঠকৰ দোমোজাত
ক্লান্তি আৰু মৰণৰ নিৰ্মম এন্ধাব এয়া—
কোনে আঁতৰাব তাক?
সমগ্ৰ চেতনাব্যাপী মূঢ় জড়তাৰ নাগপাশ;
মুক্তি ক'ত তাৰ পৰা?

বুৰঞ্জী-বিস্মৃত কোন সোণালী ক্ষণত
নবাৰুণ উদ্ভাসিত শাণিত অসিৰ আগে
মাতি অনা উজ্জ্বল মৃত্যুৱে
জীৱনক দিছিল গৌৰৱ;
সেইদিনা হে নাৰী!
হয়তো তোমাৰ প্ৰেমে
মানুহক দিছিল ইংগিত
মৃত্যুদীপ্ত আত্ম-আলোকৰ।
আজি এই দেৱ-দ্বিজ-প্ৰৱঞ্চিত-নচিকেতা মানুহৰ
বিশ্বাসৰ প্ৰদীপত তেল নাই,
নুমাল শলিতা।

বিপ্ৰলব্ধ আজি পুৰুৰৱা।
বৃকাণাং হৃদয়েন্যেতা?
হে উৰ্ব্বশী! নিষ্ঠুৰা বধিবা হেৰা আজিৰ উৰ্ব্বশী,
বাঘিনীৰ দৰে জানো হৃদয় তোমাৰ?
কোৱা ভাতুৰীয়া সেই ওঁঠৰ তলত
আছে জানো ফেঁটী সাপ শুই?

হে বিম্বাধৰা! লাটুৰ্মনি ওঁঠ দুটি
সনা জানো লালিমাত তাৰ
প্ৰেমিকাৰ আহত হিয়াৰ তেজ?
মই জানো হে বহুবল্লভা
জনতা ভুঞ্জিত সেই দুখনি ওঁঠত
লিপ্‌ষ্টিক কোন কোম্পানীৰ।

জ্ঞানৰ মাৰ্গৰ এয়া অন্তিম মঞ্জিল,
সভ্যতাৰ এই মৃগদাব
দেও দি দুৰৰি খোৱা হৰিণা পোৱালি ক'তা?
চৰে তাত আজি মাথোঁ হিংস্ৰ জন্তু পালে পালে
প্ৰাক-পুৰাণিক দন্তুৰ, ভয়াল।

নিয়ন-উজ্জ্বল এই তমসাত
আত্মাৰ অক্ষম দীপে কি পোহৰ দিব?
হে অমিতাভ! নিৰুপায়।
নিৰুপায় ধৰ্ম্ম সংঘ, নিৰুপায়
হে আনন্দ! তুমি আৰু মই।
হে ৰূপহী মাৰকন্যা, হেৰা মনোৰমা!
নিৰুপায় তোমাৰো সৌন্দৰ্য্য।

## মোৰ দেশ মানুহৰ দেশ

মোৰ দেশ মানুহৰ দেশ
উত্তৰে উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ,
শত নদী বুকুৰে বাগৰে
পাৰে পাৰে সাজে ভাঙে কত ইতিহাস
ব্ৰহ্মপুত্ৰ, গোদাবৰী, শিপ্ৰা আৰু গঙ্গা যমুনাৰ।
সুন্দৰী ভাৰতবৰ্ষ, ৰূপহী অসম।

তথাপিও মোৰ বাবে মানুহ আপোন,
যি মানুহে এই ভূখণ্ডত
বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ।

সৃজনৰ আবেগত হাবি কাটি নগৰ সাজিছে;
জীৱনৰ মৃত্যুদীপ্ত তীব্ৰ প্ৰেৰণাত
পাৰ হৈ উচ্ছল বাৰিধি
পাৰ হৈ গভীৰ অৰণ্য
দ্বীপময় ভাৰত গঢ়িছে;
কম্বোজত সাজিছে ওঙ্কাৰ ধাম।

আত্মাৰ আদেশ মানি
অতিক্ৰমি হিমালয়—
তিব্বতৰ বৰফস্তূপত যি মানুহে
মৈত্ৰী আৰু অহিংসাৰ
শলিতা জ্বলালে,
সেই মানুহৰ দেশ,
মোৰ এই মহান স্বদেশ।

বাৰে বাৰে আহে দস্যুদল,
স্বাতন্ত্র্য ৰক্ষাৰ বাবে স্বদেশ আত্মাৰ
বাৰে বাৰে যুঁজিছে মানুহে,
ভাৰতৰ বুৰঞ্জীৰ পাতে পাতে সনা আছে বোল তাৰ।
কেতিয়াবা বিজয় উল্লাস, কেতিয়াবা মূক পৰাভৱ।

তথাপি জীয়াই আছোঁ
মানুহৰ দৰে।
জীৱনৰ মৃত্যুঞ্জয়ী আকুল আহ্বানে বাৰে বাৰে
মাতিছে আমাক;
তেজেৰে আমাৰ
পাণিপথ, হলদীঘাট, পলাশীৰ, শৰাইঘাটৰ
মাটি সেমেকাই
আমি তাক কৰিছোঁ গ্ৰহণ।
ফাঁচীকাঠে মাতিছে আমাক,
আমি তাৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই।

সেই বাবে নতুন ভাৰত এয়া;
ঘৰে ঘৰে আশাৰ প্ৰদীপ,
পথাৰত সোণোৱালী ধান।
নতুন দিনৰ স্বপ্ন দুচকুত
ডেকা-গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয়।

বাহিৰত কিহৰ আৰাও?
দস্যুদল দুৰাৰ-দলিত।
সাজু হোৱা দেশৰ মানুহ!
আকৌ আহ্বান! স্বদেশ ৰক্ষাৰ বাবে
আকৌ আহিছে শুনা মৰণৰ উদগ্ৰ আহ্বান,

যি মৰণে যুগে যুগে জীৱনক কৰিছে অমৰ।
তাৰ আমন্ত্ৰণ কোনে নেওচিব পাৰে?

এই দেশ ৰাখিব লাগিব।
এই খন আপোনাৰ দেশ,
এই খন মৰমৰ দেশ,
এই খন মানুহৰ দেশ।

## বিষকন্যা

যি পাহি শেৱালি মোৰ লেৰেলি পৰিল
জীৱনৰ প্ৰথম পুৱাত;
মই পাইছিলোঁ তাৰ
চিনাকি সুবাস
আঁউসীৰ বোল সনা তোমাৰ চুলিত।

মই দেখিছিলোঁ
এই সন্ধ্যা আকাশত
মাৰ যোৱা শুকতৰাটিয়ে মোক
নতুন সাজেৰে মতা
মাধুৰীৰ চকু টিপিয়াই।

ক্লান্ত কবি দেৱকান্ত;
মই ভাবিছিলোঁ
হয়তো বা
নিষ্কলুষ তোমাৰ স্নেহেৰে
উদ্ভাসি উঠিব তাৰ
নিৰ্বাপিত আত্মাৰ প্ৰদীপ।

জীৱন বঞ্চনা মাথোঁ।
হে সুন্দৰী বিষকন্যা!
স্নেহশ্যাম মৰুদ্যান তুমিতো নোহোৱা
পথশ্ৰান্ত পথিকৰ পৰম আশ্ৰয়।

বহুৰূপা! হে নীলা নাগিনী!
তুমি মৰীচিকা।
পথভ্ৰষ্ট পথিকৰ অন্তিম তৃষাই মাথোঁ
তোমাৰ ওঁঠত তোলে
হাঁহিৰ লহৰ।

আজি মোৰ বাৰ্ধক্য জড়িত কণ্ঠ;
তথাপিও তাৰে কৈ যাওঁ
—মাথোঁ তোমাকেই—
হেৰা মোৰ সূৰ্য্যাস্ত পাৰৰ হেমৰেখা!
নিন্দা খ্যাতি জয় পৰাজয়
অসত্য সকলো।

সত্য মাথোঁ হে ছলনাময়ী! তোমাৰ গভীৰ প্ৰেম।
আৰু সত্য হে তুলনাহীনা!
তোমাৰ দেহৰ খাঁজে খাঁজে থকা
অনুপম
আত্মাৰ সুৰভি॥

# সমাপ্ত

*Digitized by :*

NIBIR BORPUZARI

*for*

http://blogasom.blogspot.in

For more Updates like this keep on visiting BLOG অসম . If you want to contribute your eBooks or other contents at BLOG অসম mail us at

*nibirborpuzari@gmail.com*